কৰা ব্যংগসমূহ 'কৃপাবৰী ৰচনা' নামেৰেই বিখ্যাত। এই ছদ্মনামেৰে 'কৃপাবৰী ৰচনা' সাহিত্য সৃষ্টি কৰি সমাজ-সংস্কাৰক হিচাপেও তেওঁ নিজৰ পৰিচয় দাঙি ধৰি থৈ গৈছে। *কৃপাবৰ বৰুৱাৰ ওভতনি, ৰৱৰৰুৱাৰ বুলনি, কপাবৰ ৰৱৰৰুৱাৰ ভাৰৰ বুৰবুৰণি, ৰৱৰৰুৱাৰ চিন্তাৰ শিলগুটি, ৰৱৰৰুৱাৰ সাহিত্যিক ৰহস্য* আৰু *কৃপাবৰ বৰুৱাৰ সামৰণি* নামেৰে অলেখ হাস্য-ব্যংগ সাহিত্য তেওঁ সৃষ্টি কৰি থৈ গৈছে।

১৯০৯ চনত প্ৰকাশিত *কৃপাবৰ বৰুৱাৰ ওভতনি*ৰ অন্তৰ্গত 'ভাৰত উদ্ধাৰ' নিবন্ধটিত বেজবৰুৱাই (কৃপাবৰ বৰুৱাই) ইংৰাজৰ হাতৰ পৰা আমাক ভাৰত উদ্ধাৰ কৰিবলৈ ব্যংগৰ ছলেৰে কেইটিমান উপদেশ দিছে। নিবন্ধটিৰ জৰিয়তে ভাৰত উদ্ধাৰ কৰিবৰ বাবে আমি কেনেদৰে বাস্তৱ -সন্মত সিদ্ধান্ত ল'ব পাৰোঁ, সেই সম্পৰ্কে এটি ধাৰণা দিয়া হৈছে। তলত এই কথাখিনি ফঁহিয়াই আলোচনা কৰা হ'ল। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে ভাৰত উদ্ধাৰৰ মূল পাঠখিনি অধ্যায়ৰ পৰিৱৰ্তে পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে।

৭.৩ কৃপাবৰ বৰুৱাৰ ওভতনি — সামগ্ৰিক আলোচনা

লক্ষ্মীনাথ বেজবৰুৱাৰ অনবদ্য সৃষ্টি হ'ল 'কৃপাবৰ বৰুৱা'। 1890 খ্ৰীষ্টাব্দত *জোনাকী* কাকতৰ দ্বিতীয় ভাগৰ সপ্তম সংখ্যাত জন্ম ল'লে কৃপাবৰে আৰু ই *জোনাকী*ৰ পৰা *বাঁহী*লৈকে, ঊনবিংশ শতিকাৰ শেষৰ পৰা বিংশ শতিকাৰ ত্ৰিশৰ দশকলৈকে প্ৰায় দুকুৰি বছৰ অসমীয়া জাতি, অসমীয়া জনজীৱন আৰু অসমীয়া সাহিত্যত খলকনি তুলিলে। লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰ' হ'ল দ্বিতীয় সত্তা। কৃপাবৰ বৰুৱাৰ মূল চালিকা শক্তিৰ অন্তৰালত নিহিত হৈ আছে এক সু-গভীৰ পৰিকল্পনা, স্বদেশ-প্ৰেম, স্ব-জাতি তথা নিজ দেশৰ প্ৰতি আত্ম ত্যাগ। ইয়াত উদ্ভট কল্পনাৰ লগত জীৱন বোধৰ সংমিশ্ৰণ ঘটিছিল, পৌৰাণিক কথাৰ লগত বৰ্তমান ঘটনাৰ সংযোগ স্থাপন ঘটিছিল আৰু কৃত্ৰিমতাৰ লগত লঘূ কল্পনাৰ সমন্বয় ঘটিছিল। সামাজিক দুৰ্নীতি, কু-সংস্কাৰৰ ব্যংগাত্মক চিত্ৰ ইয়াত বেজবৰুৱাই সুন্দৰকৈ অংকন কৰিছে। সেইবাবেই যোগেন্দ্ৰ নাথ দত্তই মন্তব্য কৰিছে যে বেজবৰুৱাৰ ৰচনাৱলীৰ ভিতৰত 'কৃপাবৰী নিবন্ধাৱলী'ৰ গুৰুত্ব, গাম্ভীৰ্য বৰ্তমানেও ম্লান হোৱা নাই।

বেজবৰুৱাৰ কৃপাবৰী ৰচনাৰ ঘাই লক্ষ্য হ'ল— হাঁহিৰ চলেৰে ব্যংগ আৰু ব্যংগৰ চলেৰে মানুহৰ, সমাজৰ দোষ-ত্ৰুটিবোৰৰ সংস্কাৰ সাধন। ইয়াৰ মাজত অন্তৰ্নিহিত হৈ আছে দেশাত্মবোধ। জাতীয় আৰু মানৰীয় চেতনাই হৈছে কৃপাবৰী ৰচনাৰ মূল উদ্দেশ্য। *কৃপাবৰ বৰুৱাৰ ওভতনি* সংকলনটোত থকা লেখা সমূহৰ প্ৰায়বোৰত ফুটি উঠিছে — লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যিক প্ৰতিভা আৰু হাস্য-ব্যংগৰ মাজেদি অভূতপূৰ্ব জাতীয় চেতনা আৰু সমাজ সচেতনতাৰ প্ৰকাশ। বেজবৰুৱাই অসমীয়া জাতিৰ দুৰ্বল আৰু ঠেক মনৰ ভাব, অনুভূতিক দেখ্‌দেখকৈ সমালোচনা কৰি ইয়াৰ সমাধান বিচাৰিছিল। অসমীয়া জাতিৰ এলাহ, অকৰ্মণ্যতা আৰু পৰৰ ওপৰত নিৰ্ভৰ কৰা স্বভাৱবোৰক উদঙাই দি ইয়াৰ পৰা উদ্ধাৰ হ'বলৈ সাধাৰণ মানুহক সকীয়াই তুলিছিল। বেজবৰুৱাই জাতীয় চেতনাৰে উদ্বুদ্ধ কৰি নিশকটীয়া জাতিটোৰ উন্নতিৰ হকে বিভিন্ন ৰুচিৰ

সৰ্বসাধাৰণৰ মতে, ভাৰত উদ্ধাৰ কৰিব খুজাৰ উপায়সমূহক তেওঁ অস্বীকাৰ কৰিছে। কিয়নো সৰ্বসাধাৰণৰ মতে—

- বক্তৃতা প্ৰদান কৰি ভাৰত উদ্ধাৰ
- ভাৰতৰ মানুহক তাঁতশালত কাপোৰ ব'বলৈ শিকাই মেঞ্চেষ্টৰৰ তাতীৰে সৈতে ফোপৰি পাতিবলৈ লগাই দি ভাৰত উদ্ধাৰ
- বিলাতী লোণ চেনি নাখাই, বিলাতী কাপোৰ নিপিন্ধি ভাৰত উদ্ধাৰ
- সভা সমিতি, কংগ্ৰেছ কনফাৰেন্স কৰি ভাৰত উদ্ধাৰ।

তৎকালীন জাতীয় কংগ্ৰেছৰ কাৰ্যসূচীৰ প্ৰতি যে এয়া এক তিৰ্যক দৃষ্টি সেয়া স্পষ্ট। মূলত মধ্যবিত্তীয় ভাৰতীয় মানুহৰ বহু দোষ-দুৰ্বলতাই কংগ্ৰেছৰ মাজেদি আত্মপ্ৰকাশ কৰিছিল। মন কৰিবলগীয়া, বেজবৰুৱাই প্ৰত্যক্ষভাৱে স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা নাছিল। তেওঁৰ দৃষ্টিভঙ্গী আছিল — প্ৰথমে নিজকে আত্মিকভাৱে, সাংস্কৃতিকভাৱে সবল কৰি ল'ব নোৱাৰিলে ব্ৰিটিছৰ পৰা স্বাধীনতা লাভ কৰিও বাস্তৱত আমি কিহবাৰ গোলাম হৈয়েই থাকিম। উক্ত কাৰ্যসমূহৰ দ্বাৰা যে ভাৰত উদ্ধাৰ নহয়, সেই কথা তেওঁ স্পষ্টভাৱে স্বীকাৰ কৰিছিল। তেওঁৰ মতে, কেৱল বক্তৃতা দি, তাঁতশালৰ কাপোৰ বৈ ভাৰত উদ্ধাৰ কৰা সম্ভৱ নহয়। আৰ্থিক উন্নতি কৰিবলৈ সৰুকৈ হ'লেও ব্যৱসায়-বাণিজ্য কৰিবই লাগিব। আত্মসন্মানেৰে, স্বাধীনভাৱে জীয়াই থাকিবলৈ তেওঁ সকলোকে আহ্বান জনাইছিল। কিন্তু তাকে নকৰি সৰ্বসাধাৰণে মিছা-মিছি আনৰ বুদ্ধি শুনি ভাৰত উদ্ধাৰ কৰিব খুজাক তেওঁ অস্বীকাৰ কৰি ব্যংগৰ জৰিয়তে ইয়াৰ বিৰোধীতা কৰিছিল।

ভাৰত উদ্ধাৰ পাঠটোৰ মাজেদি তেওঁ লিখিছিল যে — "বক্তৃতা কৰি ভাৰত উদ্ধাৰ কৰিবলৈ যোৱাটো দিখৌ নৈ পল-বোকাত পৰা বুঢ়ী গাইকে লেজু-লগাই বল দি নেটানি দূৰৈৰ পৰা মুখেৰে হেলৌ-হেটো কৰি তুলিবলৈ যোৱাৰ নিচিনা। এই কথা গমি পিটিকি চাই নোহোৱাটো পোৱা যদি পিছত বৰবৰুৱাৰ গাত তোমালোকে দায় দি থাকিবা। এতিয়া মই মাত্ৰ কওঁ যে— গালা নাম গলউৰি, তাৰ কি আছে আগগুছি। এই কথা তোমালোকে মনত ৰাখিলে সময়ত উপকাৰ পাবা।" ইয়াৰ জৰিয়তে তেওঁ বুজাব বিচাৰিছিল যে — কাম-কাজ নকৰি অকল মুখেৰে বক্তৃতা দি থাকিলেই কাৰো একো উন্নতি নহয়। বেজবৰুৱাই বক্তৃতা দিয়া কাৰ্যটোকেই সমৰ্থন কৰিব খোজা নাছিল। তেওঁৰ মতে-সকলোৱে হাতে কামে লাগি কাৰ্যক্ষেত্ৰত কৰ্ম সম্পাদন কৰিলেহে ভাৰত উদ্ধাৰ সম্ভৱ হ'ব। তাকে নকৰি অকল মুখেৰে সাত খন হাল বাই থাকিলেই ভাৰত উদ্ধাৰ হৈ নাযায়।

দ্বিতীয়তে — " গোটেই ভাৰতবৰ্ষৰ মানুহক তাঁতশালত কাপোৰ ব'বলৈ শিকাই তাঁতী কৰি মেঞ্চেষ্টৰৰ তাঁতীৰ সৈতে ফেপেৰি পাতিবলৈ লগাই দি ভাৰত উদ্ধাৰ, 'হৰি হৰি দুখৰ কাল, হৰিণাই চেলেকে বাঘৰ গাল। এই বুদ্ধি তোমালোকে পালা ক'ত? তোমালোকৰ গতি-গোত্ৰ দেখি কিন্তু বৰবৰুৱাৰ গাত বিজ্‌বিজনি উঠিছে দেই।" অৰ্থাৎ—

পিন্ধিব লাগিব। য়ুৰোপীয় খানা খাব লাগিব। দিনৌ কম পক্ষেও আনে খোৱা বস্তুৰে সৈতে এসেৰ মঙহ পেটত সুমুৱাব লাগিব।" এয়া বেজবৰুৱাৰ ব্যংগ ৰূপৰ সুন্দৰ নিদর্শন।

বেজবৰুৱাৰ সকলোবোৰ ৰচনাতেই জাতীয় প্রেম আৰু জাতীয় চেতনা স্পষ্টকৈ প্রকাশ পাইছিল। এখন সমাজ, এটা জাতিক দেশপ্রেমৰ ভাব জগাই তুলিবলৈ তেওঁ আপ্রাণ চেষ্টা কৰিছিল। বেজবৰুৱাই আচলতে জাতীয় উন্নতিৰ বাবে গভীৰভাৱে চিন্তা-চর্চা কৰিছিল আৰু তেওঁ যোৱা বা ভবা বাটটো আনতকৈ বেলেগ আছিল। এই কথাটোৰ বাবেই তেওঁ যুক্তি বহুতেই মানি ল'বলৈ টান পাইছিল। তেওঁ নিজেই এই কথা স্বীকাৰ কৰি থৈ গৈছে— "বোপাইহঁত হে! বৰবৰুৱাও একৰকম স্বদেশী আৰু সেই বাবেই তেওঁ স্বদেশী আৰু সেই বাবেই স্বর্গসুখ এৰি ভাৰত উদ্ধাৰত কান্ধ পাতিবলৈ আহিছে, কিন্তু তেওঁৰ বাট বেলেগ, এই কথা।" বেজবৰুৱাৰ কৃপাবৰী ৰচনাৰ সংকলনটোত — জাতীয় চেতনাৰে সমৃদ্ধ নিশকটীয়া অসমীয়া জাতিটোৰ উন্নতিৰ হকে বিভিন্ন ৰচনা সংযোজিত হৈ আছে। তেওঁৰ ভাৰত উদ্ধাৰ নিবন্ধটোও ইয়াৰ এক উৎকৃষ্ট উদাহৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কৃপাবৰৰ মতে ভাৰত উদ্ধাৰ হ'বলৈ কিহৰ প্রয়োজন?

.....

প্রশ্ন নং ৫ ঃ কৃপাবৰ বৰুৱাই 'বক্তৃতা কৰি' ভাৰত উদ্ধাৰ কৰিব খোজা উপায়টোক কিহৰ সৈতে তুলনা কৰিছিল?

.....

৭.৪.২ নিবন্ধটোৰ সাধাৰণ আলোচনা

*কৃপাবৰ বৰুৱাৰ ওভতনি*ৰ অন্তর্গত 'ভাৰত উদ্ধাৰ' নিবন্ধটিৰ জৰিয়তে কৃপাবৰ বৰুৱাই ইংৰাজৰ হাতৰ পৰা ভাৰত উদ্ধাৰ কৰিবৰ বাবে চলা স্বাধীনতা সংগ্রামৰ প্রতিয়েই ব্যঙ্গ কৰিছে যদিও ই আচলতে সংগ্রামখনৰ প্রক্রিয়াটোৰ প্রতিহে বিদ্রুপ, তাৰ লক্ষ্যৰ প্রতি নহয়। কৃপাবৰ বৰুৱাৰ মতে, ভাৰত উদ্ধাৰ কৰা একেবাৰে সহজ কথা নহয়। ভাৰত উদ্ধাৰ কৰিবৰ কাৰণে মানসিকভাৱে আমি প্রস্তুত হ'ব লাগিব। যাত্রাৰ আয়োজন আমিয়েই কৰিব লাগিব। পুৰণি ধ্যান-ধাৰণাৰে পশ্চাৎমুখী চিন্তাৰে ভাৰত উদ্ধাৰ নহয়। সর্বসাধাৰণৰ মতে যিদৰে ভাৰত উদ্ধাৰ কৰিব পাৰি, কৃপাবৰ বৰুৱাৰ মতে সেইদৰে নোৱাৰি। কৃপাবৰৰ যুক্তিও তিনিকুৰি এটা বুলি তেওঁ কৈছে। সর্বসাধাৰণৰ প্লেনবোৰক তেওঁ কেৰোণে খোৱা, ঢালত গজা, কুলিয়ে কৃপা কৰা, অধিকন্তু ফুটা, খোৱা, কোঙা, চাকোলা আদি বুলি কৈছে। তেওঁলোকৰ প্লেনবোৰক উল্লেখ কৰি তাক সমালোচনা কৰি মুখবদ্ধ কৰি থ'বলৈ তেওঁ বিচাৰিছিল। সাধাৰণ মানুহে যি চাৰিটা উপায়েৰে ভাৰত উদ্ধাৰৰ সপোন

আহিছে, কিন্তু তেওঁৰ বাট বেলেগ, এই কথা।" কেবল মুখেৰে ভাৰত উদ্ধাৰৰ কথা কৈ থাকিলে বৰবৰুৱাৰ মতে ভাৰত "যে তিমিৰে সে তিমিৰেই থাকিব।"

কৃপাবৰে সভা-সমিতি আৰু কংগ্রেছ কনফাৰেন্স কৰি ভাৰত উদ্ধাৰ কৰিব খোজাসকলৰ প্রতিও তীব্র সমালোচনা আগবঢ়াইছে। লক্ষ্মীনাথ বেজবৰুৱাহতঁৰ দিনত স্বাধীনতা আন্দোলনৰ বিৰাট পয়োভত চলি আছিল। বেজবৰুৱাই কৃপাবৰী ৰূপত এই আন্দোলনৰ বিষয়ে মতামত দি আহিছিল। ভাৰত উদ্ধাৰত তেওঁ গভীৰ বিশ্বাসেৰে অথচ হাঁহি উঠা ভঙ্গীৰে কৈছে — "চিয়ঁৰি ভাৰত উদ্ধাৰ, বাখৰি ভাৰত উদ্ধাৰ, কেপকেপাই ভাৰত উদ্ধাৰ, লেবলেবাই ভাৰত উদ্ধাৰ, ফুচফুচাই ভাৰত উদ্ধাৰ, উচপিচাই ভাৰত উদ্ধাৰ নহয় নহয় নহয়।" তেওঁ একে প্রসঙ্গতে কৈছে — "হাতে-কলমে কাম কৰা দেখিক ভাৰত উদ্ধৃত হৈ বৰচাঙৰ ওপৰত উঠি বহি হাঁহি আছে।"

কৃপাবৰ বৰবৰুৱাই সর্বসাধাৰণে ভবা প্রতিটো যুক্তি খণ্ডন কৰি নিজে কেইটিমান পৰামর্শ আগবঢ়াইছে, যি পৰামর্শত প্রতিফলিত হৈছে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বছা বছা ৫০০ জন ভলণ্টিয়াৰৰ যোগ্যতা আৰু অর্হতা— যাৰ জৰিয়তে ভাৰত উদ্ধাৰ কৰা সম্ভৱ। ভলণ্টিয়াসকলৰ কেপ্তেইন স্বয়ং তেওঁ। 25–30 বছৰীয়া আবিয়ৈ, নিঘূণীয়া, বলী, শুৱনি, কর্তব্য পৰায়ণ আৰু স্বাস্থ্য সচেতন লোকক লৈ ভাৰত উদ্ধাৰ কৰিব বিচৰিছে। বৰবৰুৱাই বেছি দূৰলৈ চিন্তা নকৰি এটি পৰামর্শ দিছে যে— ৫০০ ভলণ্টিয়াৰক য়ুৰোপলৈ লৈ যাব। তাকে প্রত্যেককে একোজনী ৰূপহী বিয়া কৰাই দি ভাৰতলৈ লৈ আহি তেওঁলোকৰ সতি-সন্ততিৰ জৰিয়তে ভাৰত উদ্ধাৰৰ দীর্ঘকালীন প্রচেষ্ট হাতত লোৱাৰ কথা ব্যক্ত কৰিছে — এইদৰেই ব্যংগৰ জৰিয়তে বেজবৰুৱাই জাতিটোৰ উন্নতিৰ বাবে চিন্তা কৰিছিল। এই ব্যংগ লেখাবোৰৰ মাজেৰে আচলতে বেজবৰুৱাৰ সংস্কাৰবাদী মনটো স্পষ্টৰূপত জিলিকি উঠিছিল।

মুঠতে এটা কথা ক'ব পাৰি যে— বেজবৰুৱাই কৃপাবৰ বৰবৰুৱা ছদ্মনাম লৈ লেখা 'ভাৰত উদ্ধাৰ'ৰ জৰিয়তে অসমীয়া মানুহৰ কর্ম বিমুখিতা, আনৰ ওপৰত ভৰষা আদি দিশক ব্যঙ্গ কৰিছে। ভাৰত উদ্ধাৰ কৰিবলৈ বক্তৃতাৰে যে নোৱাৰি — এক দীঘলীয়া পৰিকল্পনাৰ প্রয়োজন তাক হাস্য-ব্যঙ্গ ৰূপত সুন্দৰকৈ দেখুৱাই দিছে। আনহাতে, ইয়াৰ দ্বাৰা তেওঁ জাতীয় কংগ্রেছৰ দলৰ প্রতিও অনাস্থা প্রদর্শন কৰিছে। কাৰণ সেই সময়ত ভাৰতবর্ষত কংগ্রেছী নেতাবোৰৰ বক্তৃতাৰ লয়োভৰ আছিল। অকল বক্তৃতাৰেই যে কাম নহয়, ৰাইজক সচেতন কৰিবলৈ হাতে কামেও লাগিব, সেই কথাটোকে তেওঁ সোঁৱৰাই দিছিল। দ্বিতীয়তে, ভাৰতৰ মানুহক তাঁতশালত কাপোৰ ব'বলৈ শিকাই মেঞ্চেষ্টৰৰ সৈতে ফেপেৰি পাতি ভাৰত উদ্ধাৰ কৰিব খুজা কথাটোৰ বিৰোধিতাই তেওঁৰ গান্ধীবাদৰ প্রতি সমালোচনাৰ ভাবক স্পষ্ট কৰি তোলে। বেজবৰুৱা যিহেতু সম্পূর্ণভাৱে ব্রিটিছ বিৰোধী নাছিল আৰু লগতে তেওঁৰ নতুনত্বক আঁকোৱালি লোৱাৰ মানসিকতাই তেওঁৰ পৰিৱর্তনকামী মানোভাবক স্পষ্ট কৰে। আটাইবোৰৰ মাজত তেওঁৰ উগ্র জাতীয়তাবোধ

বিষয়ে মতামত দি আহিছিল। অধ্যায়টিত এই বিষয়ে আলোচনা কৰা হৈছে। লগতে মূল পাঠটি অধ্যয়ন কৰিলে অসমীয়া ভাষাৰ কালিকাৰ কথাও আপুনি অনুভৱ কৰিব পাৰিব।



৭.৬ অধিক জানিবলৈ

১) অসম প্ৰকাশন পৰিষদ(২০০৭); *লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) কলিতা, মহেশ্বৰ (সম্পা.)(২০১৪); *সাহিত্যৰথীৰ সাহিত্য বিচাৰ;* গুৱাহাটী।

৩) গুৱাহাটী বিশ্ববিদ্যালয় (২০১৩); *আধুনিক অসমীয়া সাহিত্যৰ ঐতিহ্য আৰু লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

৪) গোস্বামী, যতীন্দ্ৰনাথ(২০১৪); *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) চৌধুৰী, বিজন লাল (২০১৪); *নতুন পোহৰত লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্চ।

৬) দত্ত, যোগেন্দ্ৰ নাথ(২০১৫); *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা প্ৰজ্ঞা আৰু প্ৰতিভা;* গুৱাহাটী ঃ ৰেখা প্ৰকাশন।

৭) বৰকটকী, অৰিন্দম আৰু ভৱালী, অজিত (সম্পা.)(২০১২); *লক্ষ্মীনাথ বেজবৰুৱা;* নগাওঁ ঃ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰকাশন।

৮) বৰা, প্ৰাণজিৎ (সম্পা.)(২০১৪); *লক্ষ্মীনাথ;* গুৱাহাটী ঃ পাঞ্চজন্য।

৯) ভৱালী, অজিত (সংক.)(২০১৬); *লক্ষ্মীনাথ বেজবৰুৱা ঃ নিৰ্বাচিত অসমীয়া সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) ভৱালী, শৈলেন (২০১৬); *প্ৰসঙ্গ ঃ সাহিত্যৰথী;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১১) ভৱালী, শৈলেন (২০১৫); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) শইকীয়া, নগেন (সম্পা.)(২০১০); *বেজবৰুৱা ৰচনাৱলী;* গুৱাহাটী ঃ বনলতা।

১৩) শৰ্মা, শশী (১৯৮৯); *ৰসৰাজ বেজবৰুৱা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।



৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সমাজখনৰ ভেম-ভণ্ডামিসমূহ ব্যংগৰ জৰিয়তে উদঙাই দেখুৱাই

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কৃপাবৰ বৰবৰুৱা কোন? বেজবৰুৱাই কি কাৰণে এই চৰিএটিৰ সৃষ্টি কৰিছিল?

প্ৰশ্ন ২ ঃ কৃপাবৰ বৰুৱাৰ মতে 'ভাৰত উদ্ধাৰ' হ'বলৈ কি কি কৰাৰ প্ৰয়োজন?

প্ৰশ্ন ৩ ঃ কৃপাবৰ বৰবৰুৱাৰ মতে সৰ্বসাধাৰণৰ ভাৰত উদ্ধাৰৰ প্লেনবোৰ কেনেকুৱা ধৰণৰ আছিল?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'ভাৰত উদ্ধাৰ' পাঠটিৰ আধাৰত বেজবৰুৱাৰ স্বদেশ প্ৰেমৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ 'ভাৰত উদ্ধাৰ' নিবন্ধটিত ভাৰত উদ্ধাৰ কৰাৰ বাবে কৃপাবৰে কি কি নিবন্ধন দিছে, আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ব্যংগ সাহিত্য কি? পাঠটিৰ আধাৰত বেজবৰুৱাৰ ব্যংগ সাহিত্যৰ এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ 'ভাৰত-উদ্ধাৰ' পাঠটিৰ মূল বিষয়বস্তু সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৫ ঃ 'ভাৰত-উদ্ধাৰ' পাঠটিৰ আধাৰত বেজবৰুৱাৰ সমাজ সংস্কাৰকামী মনোভাব কিদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

*** ***** ***

১৭) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৮) নেওগ, মহেশ্বৰ (১৯৮৬); *মহেশ্বৰ নেওগ ৰচনাৱলী, প্ৰথম খণ্ড;* ডিব্ৰুগড় ঃ বাণী মন্দিৰ।

১৯) নেওগ, মহেশ্বৰ (সম্পা.) (১৯৯৭); *কীৰ্তন-ঘোষা আৰু নামঘোষা,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২০) নেওগ, মিলন (সম্পা.) (২০১৭) ঃ *ভক্তি বৈভৱ;* গহপুৰ ঃ বাৰ্ষিক আলোচনা শ্ৰীমন্ত শংকৰদেৱ সংঘ।

২১) নেওগ, মিলন (২০১৭); *শংকৰদেৱ সৃষ্টি আৰু ব্যাপ্তি;* নগাঁও ঃ ক্ৰান্তিকাল প্ৰকাশন।

২২) বৰকটকী, অৰিন্দম আৰু ভৰালী, অজিত (সম্পা.)(২০১২); *লক্ষ্মীনাথ বেজবৰুৱা;*নগাওঁ ঃ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰকাশন।

২৩) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, ২য় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা।

২৪) বৰা, প্ৰাণজিৎ (সম্পা.) (২০১৪); *লক্ষ্মীনাথ;* গুৱাহাটী ঃ পাঞ্চজন্য।

২৫) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

২৬) ভৰালী, অজিত (সম্পা.) (২০১৬); *লক্ষ্মীনাথ বেজবৰুৱা ঃ নিৰ্বাচিত অসমীয়া সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২৭) ভৰালী, শৈলেন (২০১৬); *প্ৰসঙ্গ ঃ সাহিত্যৰথী;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২৮) ভৰালী, শৈলেন (২০১৫); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২৯) মজুমদাৰ, তিলকচন্দ্ৰ (২০১৪); শ্ৰীমন্ত শংকৰদেৱ ঃ সাহিত্য সংস্কৃতিৰ জিলিঙনি; গুৱাহাটী ঃ বনলতা।

৩০) মজুমদাৰ, বিমল (২০১৭); *ভক্তি সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩১) শইকীয়া, নগেন (সম্পা.) (২০১০); *বেজবৰুৱা ৰচনাৱলী;* গুৱাহাটী ঃ বনলতা।

৩২) শৰ্মা, শশী (১৮৮৯); *ৰসৰাজ বেজবৰুৱা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৩৩) শৰ্মা,সত্যেন্দ্ৰনাথ (২০১৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।